# Course 507

# সৰ্বশিক্ষা অভিযান
# আৰু
# শিক্ষাৰ অধিকাৰ আইন

ব্লক - 1

গোট - 4



টোকা



# গোট - 4 ঃ সৰ্বশিক্ষা অভিযান (SSA) আৰু শিক্ষাৰ অধিকাৰ (RTE) আইনত ৰাইজৰ অংশগ্ৰহণৰ সুবিধাসমূহ

## গাঁথনি

4.0 পৰিচয়
4.1 শিকনৰ উদ্দেশ্য
4.2 শিক্ষাত ৰাইজৰ অংশগ্ৰহণ
4.3 সৰ্বশিক্ষা অভিযানৰ আৰম্ভণি
4.3.1 শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন (2007)
4.3.2 শিক্ষাৰ অধিকাৰ/সৰ্বশিক্ষা অভিযানত ৰাইজৰ অংশগ্ৰহণ
4.3.3 ৰাইজৰ অংশগ্ৰহমৰ প্ৰয়োজনীয়তা
4.3.4 শিক্ষাত ৰাইজৰ বৰঙণি
4.3.5 প্ৰাসংগিক পাঠ্যক্ৰম আৰু শিকন সামগ্ৰী উন্নতকৰণ
4.6.6 সমস্যা উদ্ভাৱন আৰু চিনাক্তকৰণ
4.4. শিক্ষাত ৰাইজৰ অংশগ্ৰহণ কেনেকৈ বঢ়াব পাৰি?
4.5. গাঁও শিক্ষা সমিতি (VEC)
4.6 বিদ্যালয় পৰিচালনা সমিতি (SMC)/শিক্ষক-অভিভাৱক সস্থা (PTA)
4.6.1- SMC/PTA ৰ প্ৰধান কাৰ্য
4.7 ৰাজ্যত ৰাইজৰ অংশগ্ৰহণ বঢ়োৱাৰ পদক্ষেপ
4.8 সংক্ষিপ্তকৰণ
4.9. আপোনাৰ কাৰ্যৰ অগ্ৰগতিৰ বুজ লোৱা
4.10. পঠন আৰু প্ৰাসংগিকতা সম্পৰ্কে পৰামৰ্শ প্ৰদান
4.11. পাঠৰ শেষত অনুশীলন

## 4.0 আৰম্ভণি ঃ

প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰণৰ বাবে আঁচনি প্ৰয়োগ আৰু নিৰীক্ষণ কাৰ্যত ৰাইজৰ অংশগ্ৰহণে এক মুখ্য আৰু দৰকাৰী ভূমিকা গ্ৰহণ কৰে। শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন 2007য়ে ৰাজিৰ অংশগ্ৰহণ বিশেষকৈ স্থানীয় পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান, অভিভাৱক, ছাত্ৰ-ছাত্ৰী আদি সকলোৰে অৰ্থপূৰ্ণ অংশগ্ৰহণটো সুনিশ্চিত কৰিছে। সৰ্বশিক্ষা অভিযানে সফল প্ৰয়োগ কৰিবলৈ গাঁও/ৱাৰ্ড, খণ্ড, মণ্ডল



টোকা

আৰু বিদ্যালয় পৰ্যায়ত কিছু গাঁথনি সৃষ্টি কৰিছে যাতে শৈক্ষিক কাৰ্যত তেওঁলোকক দায়িত্বপূৰ্ণভাৱে জড়িত কৰিব পৰা যায়। শিক্ষাত ৰাইজৰ অংশগ্ৰহণে সমাজ পৰিবৰ্তনত এক যোগাত্মক ভূমিকা গ্ৰহণ কৰে আৰু শৈক্ষিক গাঁথনি সৃষ্টি কৰি ব্যক্তিগত প্ৰাধান্য দূৰ কৰিব পাৰে। ল'ৰা-ছোৱালীক বিদ্যালয়লৈ অনাৰ ক্ষেত্ৰত ৰাইজে সজাগতা সৃষ্টি কৰিব পাৰে।

আগৰ অধ্যায়টোত আপুনি ৰাইজ সম্বন্ধে এক ধাৰণা লৈছে। এই অধ্যায়টোত বিভিন্ন শৈক্ষিক কাৰ্যসূচীত ৰাইজ জড়িতকৰণৰ বিষয়ে বৰ্ণনা কৰা হ'ব। এই অধ্যায়টোত শিক্ষাত ৰাইজ জড়িতকৰণৰ গুৰুত্ব আৰু স্থানীয় নিকায়সমূহৰ অংশগ্ৰহণৰে শৈক্ষিক উত্তৰণৰ পথ সুগম কৰা, বিশেষ লক্ষিত গোটৰ ল'ৰা-ছোৱালীৰ অংশগ্ৰহণ নিশ্চিত কৰা আদি বিশ্লেষণ কৰাত আপোনাক সহায় কৰিব। এই অধ্যায়টোতে সৰ্বশিক্ষা অভিযান আৰু শিক্ষাৰ অধিকাৰ আইন-2009ৰ প্ৰয়োগত ৰাজিৰ অংশগ্ৰহণৰ বিষয়ে ব্যাখ্যা কৰা হ'ব।

## 4.1 শিকনৰ উদ্দেশ্য ঃ

এই অধ্যায়টোৰ পাছত আপুনি তলৰ দিশবোৰ পাবলৈ সমৰ্থ হ'ব।

- শিক্ষাত ৰাইজৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তা বৰ্ণনা কৰিব পৰা।
- বিভিন্ন স্থানীয় আৰু একেবাৰে তলৰ স্তৰৰ সংস্থা যেনে- গাঁও শিক্ষা সমিতি (VEC) শিক্ষক অভিভাৱক সস্থা (PTA), বিদ্যালয় পৰিচালনা সমিতি (SMC) আদি শিক্ষাৰ অধিকাৰ অনুযায়ী দায়িত্ব সমূহ চিনাক্ত কৰিব পৰা।
- শিক্ষাৰ পৰিকল্পনা আৰু ব্যৱস্থাপনাত ৰাইজে কেনেকৈ সহায় কৰিব পাৰে সেই বিষয়ে বিশ্লেষণ কৰিব পৰা।
- বিদ্যালয়ৰ বিভিন্ন কাৰ্যপ্ৰণালীত ৰাইজৰ অংশগ্ৰহণ সুনিশ্চিত কৰি পোৱা অভিজ্ঞতা সমূহ আলোচনা কৰা।

## 4.2 শিক্ষাত ৰাইজৰ অংশগ্ৰহণ

বিদ্যালয় এখন খোলা বা প্ৰতিষ্ঠা কৰিবলৈ ৰাইজেই ভূমি দান কৰা কথাটো আপুনি শুনিছে বা দেখিছে। কিছু সংখ্যক ৰাইজে বিদ্যালয়লৈ উৎপাদিত কৃষি সামগ্ৰীও দান কৰে। এতিয়াও ৰাইজ বা বিভিন্ন কৰ্প'ৰেট গোষ্ঠীয়ে বিদ্যালয়লৈ অনুদান হিচাপে ৰন্ধন সামগ্ৰী, ডেস্ক-বেঞ্চ, কম্পিউটাৰ আদি সামগ্ৰী যোগান ধৰে। আপুনি এইটো নিশ্চয় দেখিছে কম সংখ্যক অভিভাৱক বিশেষকৈ মাতৃসকলে বিদ্যালয়লৈ গৈ ৰং কৰা, বস্তু বনোৱা আদি কাৰ্যৰে ছাত্ৰ-ছাত্ৰীক বৃত্তিমুখী শিক্ষা দিয়ে।

সেইবাবে আমি ক'ব পাৰো যে শিক্ষাত ৰাইজৰ অংশগ্ৰহণৰ অৰ্থ হ'ল বিদ্যালয়ৰ আঁচনি আৰু ব্যৱস্থাপনাত অভিভাৱক আৰু ৰাইজৰ সদস্যৰ অংশগ্ৰহণ যাতে গুণগত শিক্ষাৰ উন্নীতকৰণত সহায়ক হয়।



টোকা



আপুনি জানেনে শিক্ষাত ৰাইজৰ অংশগ্ৰহণ প্ৰধানকৈ দুই ধৰণে হয়— অনানুষ্ঠানিক আৰু আনুষ্ঠানিক পদ্ধতি।

**অনানুষ্ঠানিক ঃ** অনানুষ্ঠানিক পদ্ধতি হ'ল য'ত স্থানীয় ৰাইজ শৈক্ষিক ক্ষেত্ৰলৈ বৰঙণি যোগায়। এই ক্ষেত্ৰত বিদ্যালয় গৃহৰ বাবে ভূমিদান, বিদ্যালয়ৰ গৃহৰ বাবে স্থানীয়ভাৱে পোৱা সামগ্ৰী যোগান তথা নিজে শ্ৰমদান কৰা আদি বৰঙণি আগবঢ়ায়। 1950 ৰ পৰা 1960 চনৰ ভিতৰত তামিলনাডুত শিক্ষাত ৰাইজৰ সহযোগিতাৰ বাবে ৰাইজক জড়িত কৰণৰ বাবে পদক্ষেপ লোৱা হৈছিল। তাত শৈক্ষিক অনুষ্ঠান উন্নীতকৰণত সহায়ক হিচাপে অভিভাৱক তথা স্থানীয় ৰাইজে দলগতভাৱে টকা-পইচা বা শ্ৰমদানেৰে সহযোগিতা আগবঢ়াইছিল।

**আনুষ্ঠানিক ঃ** ৰাইজৰ অংশগ্ৰহণত আনুষ্ঠানিক পদ্ধতি হ'ল গাঁও পঞ্চায়ত বা গাঁও শিক্ষা সমিতি বা ৱাৰ্ড শিক্ষা সমিতি গঠন কৰি তাৰ পৰা সহযোগিতা লোৱা। সৰ্বশিক্ষা অভিযানত বিভিন্ন সমিতি বা সংস্থা, যেনে - গাঁও শিক্ষা সমিতি/ৱাৰ্ড শিক্ষা সমিতি, শিক্ষক-অভিভাৱক সন্থা, আত্মসহায়ক গোট, বিদ্যালয় পৰিচালনা সমিতি আদি গঠন কৰি সেইবোৰক বিদ্যালয়ৰ প্ৰশাসন আৰু পৰিচালনাত পৰ্যবেক্ষণ আৰু নিৰীক্ষণ কৰাৰ বাবে কিছুমান বিশেষ দায়িত্ব দিয়া হৈছে।

আপুনি বৰ্ণনা কৰিব পাৰিবনে ছবিত কোনবোৰ সংস্থাৰ বিষয়ে দেখুওৱা হৈছে আৰু ইয়াত কি ঘটিছে?

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক**

**টোকা ঃ** আপোনাৰ উত্তৰৰ সাপেক্ষে তলত কিছু ঠাই দিয়া হৈছে।

1. ৰাইজৰ অংশগ্ৰহণৰ যিকোনো দুটা পদ্ধতি বৰ্ণনা কৰক।

.............................................................................................................

.............................................................................................................

.............................................................................................................

2. ভূমিদান আনুষ্ঠানিক যে অনানুষ্ঠানিক ৰাইজৰ অংশগ্ৰহণ প্ৰক্ৰিয়া।

.............................................................................................................

.............................................................................................................

.............................................................................................................

3. বিদ্যালয় উন্নয়ন পৰিচালনা সমিতি আনুষ্ঠানিক নে অনানুষ্ঠানিক ৰাইজৰ অংশগ্ৰহণ প্ৰক্ৰিয়া।

.............................................................................................................

.............................................................................................................

.............................................................................................................



টোকা

4. আপোনাৰ অঞ্চলৰ কিছু বিদ্যালয় ভ্ৰমণ কৰক আৰু ৰাইজে তাত কেনেদৰে সহযোগিতা আগবঢ়াইছে তাৰ তথ্য সংগ্ৰহ কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

## 4.3 সৰ্বশিক্ষা অভিযানৰ আৰম্ভণি (SSA)

সৰ্বশিক্ষাৰ অধীনৰ ৰাইজৰ অংশগ্ৰহণৰ বিষয়ে জনাৰ আগতে সৰ্বশিক্ষা অভিযানৰ লক্ষ্য তথা উদ্দেশ্যৰ বিষয়ে জানি লওক।

সৰ্বশিক্ষা অভিযান হ'ল ভাৰতত প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে লোৱা এক ব্যয় বহুল আঁচনি। 2001 চনত সৰ্বশিক্ষাৰ আৰম্ভণি হৈছিল। ল'ৰা-ছোৱালীৰ মৃত্যু আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন 2007 চনত অনা হৈছিল যিখন 2010 চনৰ এপ্ৰিল মাহৰ পৰা কাৰ্যকৰী কৰা হয়।

সৰ্বশিক্ষা অভিযান ৰাজ্যিক চৰকাৰসমূহৰ লগত যুটীয়াভাৱে প্ৰয়োগ কৰা হৈছে। য'ত দেশৰ 192 মিলিয়ন ল'ৰা-ছোৱালীৰলগতে 1.1 মিলিয়ন চুবুৰীক সামৰি লোৱা হৈছে।

যিবিলাক চুবুৰীত বিদ্যালয় নাই তাত নতুন বিদ্যালয় স্থাপন আৰু যিবিলাক বিদ্যালয়ত সুবিধাজনক শ্ৰেণীকোঠা, খোৱা পানী, প্ৰস্ৰাৱগাৰৰ ব্যৱস্থা নাই সেইবোৰৰ আন্তঃগাঁথনি উন্নীতকৰণ কৰা হৈছে।

প্ৰয়োজন অনুপাতে শিক্ষক নথকা বিদ্যালয়ত অতিৰিক্ত শিক্ষক দিয়াৰ ব্যৱস্থা কৰা হৈছে।

প্ৰয়োজন অনুপাতে শিক্ষক নথকা বিদ্যালয়ত অতিৰিক্ত শিক্ষক দিয়াৰ ব্যৱস্থা কৰা হৈছে। শিক্ষকক নিযুক্তিকালীন প্ৰশিক্ষণ আৰু শিক্ষণ-শিকন সামগ্ৰী তৈয়াৰ কৰাৰ বাবে অনুদান দিয়া হৈছে।

সৰ্বশিক্ষা অভিযানে জীৱন কৌশল আদি অন্তৰ্ভুক্ত কৰি গুণগত শিক্ষা প্ৰদান কৰিছে। সৰ্বশিক্ষাই ছোৱালীৰ শিক্ষাৰ লগতে বিশেষভাৱে সক্ষম সকলৰ শিক্ষাৰ ওপৰত বেছি গুৰুত্ব প্ৰদান কৰিছে।

বিদ্যালয়ভিত্তিক কাৰ্যক্ৰমত ৰাইজক জড়িতকৰণৰ ব্যৱস্থা লৈছে। পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান, বিদ্যালয় পৰিচালনা সমিতি, গাঁও/ৱাৰ্ড শিক্ষা সমিতি, শিক্ষক-অভিভাৱক সংস্থা, শিক্ষক-মাতৃ সংস্থা আদি সকলোকে প্ৰাথমিক বিদ্যালয় ব্যৱস্থাপনাত জড়িত কৰা হৈছে।

**ঘটনা অধ্যয়ন ঃ** সৰ্বশিক্ষা আৰু বিভিন্ন ৰাজ্যৰ পৰা পোৱা তথ্য অনুযায়ী সৰ্বশিক্ষাৰ কাৰ্যপ্ৰণালীত ৰাইজ জড়িতকৰণ খুউব সুন্দৰভাৱে কৰা হৈছে। বিদ্যালয়গৃহৰ

টোকা

সকলো কাম-কাজত যেনে - শ্ৰেণী কোঠা বনোৱা, চৌহদৰ বেৰ, ৰান্ধনী ঘৰ আদি গাঁও শিক্ষা সমিতি/বিদ্যালয় পৰিচালনা সমিতি আদিয়ে প্ৰভুত্ব পৰিমাণে বিদ্যালয়ৰ কাম-কাজ কৰিছে। গৃহ নিৰ্মাণৰ খৰচ কমোৱাৰ বাবে স্থানীয়ভাৱে বনোৱা সঁজুলি ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

## 4.3.1 মুক্ত আৰু বাধ্যতামূলক শিশুৰ শিক্ষাৰ অধিকাৰ আইন 2007

ভাৰতৰ শিক্ষা ব্যৱস্থাত এক উল্লেখনীয় পদক্ষেপ হ'ল শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন 2007 যিখন 2010 চনৰ এপ্ৰিল মাহৰ পৰা কাৰ্যকৰী হয়।

RTE এক্ট- 2007ৰ প্ৰধান বৈশিষ্ট্য ঃ

- এই আইন অনুযায়ী 6-14 বছৰৰ সকলো ল'ৰা-ছোৱালীয়ে পাব লগা শিক্ষাটো এক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিছে আৰু প্ৰাথমিক বিদ্যালয়ত ন্যূনতম অৰ্হতা বান্ধি দিছে।
- চৰকাৰী বিদ্যালয়সমূহে সকলো ল'ৰা-ছোৱালীকে কোনো ধৰণৰ মাচুল নোলোৱাকৈ মুক্ত শিক্ষা দিব লাগিব। সকলো ল'ৰা-ছোৱালীয়েই মুক্ত শিক্ষা পোৱাৰ অধিকাৰ থাকিব আৰু প্ৰাথমিক শিক্ষা শেষ নকৰা পৰ্যন্ত বিদ্যালয়ৰ পৰা ওলাই যাব নোৱাৰিব।
- এই আইনখন প্ৰযোজ্য হোৱাৰ তিনি বছৰৰ ভিতৰত প্ৰতি 1কিঃ মিঃ ব্যৱধানত একোখনকৈ প্ৰাথমিক বিদ্যালয় আৰু প্ৰতি 3 কিলোমিটাৰ ব্যৱধানত এখন উচ্চ প্ৰাথমিক বিদ্যালয় থাকিব লাগিব।
- ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে অতি কমেও 25 শতাংশ ল'ৰা-ছোৱালী দুখীয়া শ্ৰেণীৰ পৰা ল'ব লাগিব।
- এই আইন অনুযায়ী অষ্টম শ্ৰেণী পৰ্যন্ত কোনো ল'ৰা-ছোৱালী অনুতীৰ্ণ বা ব'ৰ্ডৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিব।
- এই আইন অনুযায়ী বয়স অনুপাতে শিক্ষা দিব লাগিব অৰ্থাৎ বয়স অনুযায়ী নিৰ্দিষ্ট শ্ৰেণীত নামভৰ্তি কৰাব লাগিব। উদাহৰণ স্বৰূপে 9 বছৰীয়া ল'ৰা এটা বিদ্যালয়লৈ নগ'লেও বা আধাতে বিদ্যালয় এৰিলেও সি চতুৰ্থ শ্ৰেণীত নামভৰ্তি হ'ব বিশেষ প্ৰশিক্ষণ বা সেঁতুবন্ধন পাঠ্যক্ৰমত যাতে ল'ৰাজনক নিৰ্দিষ্ট বয়স অনুযায়ী কম সময়ত আগুৱাই নিব পৰা যায়।
- বিদ্যালয়ত সঠিক সংখ্যক শিক্ষক আৰু শ্ৰেণীকোঠা থাকিব লাগিব। প্ৰাথমিক পৰ্যায়ত প্ৰতি 30 জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক অৱশ্যাম্ভাবী।
- বিদ্যালয়ত ছাত্ৰ আৰু ছাত্ৰী উভয়ৰে বাবে প্ৰস্ৰাৱগাৰ থাকিব লাগিব।
- বিদ্যালয় পৰিচালনা সমিতিৰ দ্বাৰা বিদ্যালয়সমূহ পৰিচালিত হ'ব।



টোকা

- এই আইন অনুযায়ী জাতি-ধৰ্ম-বৰ্ণ আৰু বিশেষ প্ৰয়োজন অনুযায়ী কোনো শিশুকে শাৰীৰিক শাস্তি বিহিব নোৱাৰিব বৰঞ্চ তেওঁলোকক সামাজিক মৰ্যাদা প্ৰদান কৰি বিদ্যালয়ত অনুশীলন কৰি যাব লাগিব।
- বিদ্যালয় মেপিং অনুশীলন কাৰ্য সামাজিক মেপিঙৰ অন্তৰ্ভুক্ত যাৰ অৰ্থ আৰ্থ সামাজিকভাৱে পাছ পৰা ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ত নামভৰ্তি কৰাব পৰা যায়। ৰাইজ তথা অইন স্বেচ্ছাসেৱী সংগঠনে তেনেকুৱা ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰি নাম ভৰ্তিকৰণত সহায় কৰিব পাৰে। অসামৰিক  সামাজিক সংগঠন আৰু ৰাইজে অতি পাছ পৰা অঞ্চলত থকা উচ্চ জনসংখ্যা থকা গাঁও, ঘৰচীয়া জন্তু লালন-পালন কৰা ঠাই বা ৰাস্তাত থকা শিশুসকলক ঢুকি পোৱাত সহায়ক হয়।

আপুনি নিশ্চয় উপলব্ধি কৰিব যে বিদ্যালয় বহিৰ্ভুত আৰু প্ৰব্ৰজনকাৰী হিচাপে চিহ্নিত শিশুক চিনাক্ত কৰি বিদ্যালয়লৈ অনাটো ইমান সহজ নহয়। পৰিয়ালৰ লগত যোগাযোগ নোহোৱাকৈ বহু ল'ৰা-ছোৱালী ৰাস্তাত থাকে। তেনেকুৱা ল'ৰা-ছোৱালী বিচাৰি উলিয়াই এটা উপযুক্ত শ্ৰেণীত নামভৰ্তি কৰি দিয়াটো অতি জটিল কাম। ৰাইজৰ পৰা কোনোবাই তেনেকুৱা বিদ্যালয় বহিৰ্ভুত ল'ৰা-ছোৱালীৰ পৰিয়ালৰ লগত গাঁও/ৱাৰ্ড শিক্ষা সমিতিক যোগাযোগ কৰি তুলিব পাৰে। কিন্তু মানগাঁৱত তেনে ৰাইজৰ পৰা বা আত্মসহায়ক গোটবোৰে দায়িত্বলৈ ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিওৱাত সহায় কৰিছে।

আপুনি নিশ্চয় একমত হ'ব যে RTE আৰু SSAৰ বাবে এইটো সম্ভৱ নহ'ব যদিহে ৰাইজৰ সমৰ্থন আৰু সহযোগিতা থাকে।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 2**

**টোকা ঃ আপোনাৰ উত্তৰৰ বাবে তলত খালী ঠাই ৰখা হৈছে।**

1. সৰ্বশিক্ষা কেতিয়া আৰম্ভ হৈছিল?

..........................................................................................................

..........................................................................................................

..........................................................................................................

2. SSAৰ মূল উদ্দেশ্য কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

3. SSAৰ প্ৰধান প্ৰধান কাৰ্যপ্ৰণালী কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................



টোকা

4. ৰাইজৰ অংশগ্ৰহণৰ বাবে SSA/RTEৰত কি ধৰণৰ গঠনাত্মক আৰ্হি প্ৰদৰ্শন কৰা হৈছে।

......................................................................................................................

......................................................................................................................

......................................................................................................................

5. RTE-2007ৰ প্ৰধান বৈশিষ্টসমূহ কি কি?

......................................................................................................................

......................................................................................................................

......................................................................................................................

## 4.3.2. RTE/ সৰ্বশিক্ষা অভিযান (SSA)ত ৰাইজৰ অংশগ্ৰহণ

শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন- 2007 প্ৰয়োগ কৰাৰ বাবে সৰ্বশিক্ষা হ'ল এখন গাড়ীৰ দৰে। RTE অনুযায়ী ৰাজ্যসমূহে 6-14 বছৰ বয়সৰ ল'ৰা-ছোৱালীক মুক্ত আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা দিয়াটো সাংবিধানিক দায়িত্ব। শিক্ষাৰ পৰিকল্পনা আৰু ব্যৱস্থাপনাত অভিভাৱক আৰু ৰাইজৰ অন্তৰ্ভুক্তিকৰণত বেছি জোৰ দিয়া হৈছে। RTE প্ৰয়োগৰ বাবে বিভিন্ন ধৰণৰ সামাজিক সংস্থা, যেনে - শিক্ষক অভিভাৱক সংস্থা (PTA), মাতৃ শিক্ষক সংস্থা (MTA) গাঁও/ৱাৰ্ড শিক্ষা সমিতি (VEC/ WEC) আৰু পঞ্চায়তী ৰাজ অনুষ্ঠানৰ সদস্যসকলক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰায় সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে VEC/PTA/SMC/MTA/VEC/WEC আদি SSAৰ অধীনত গঠন কৰিছে।

## 4.3.3. ৰাইজ অংশগ্ৰহণৰ প্ৰয়োজনীয়তা

আপুনি নিশ্চয় লক্ষ্য কৰিছে যে ৰাইজ যদি আগ্ৰহী হয় আৰু শিক্ষাত মনোনিৱেশ কৰে তেতিয়া শিক্ষাটো কেৱল কিতাপৰ মাজত আবদ্ধ নাথাকে। শিশুৱে সহজে শিকিবলৈ সমৰ্থ হ'ব যে তেওঁলোকে অকল কিতাপৰ জ্ঞানেই আহৰণ নকৰে বৰঞ্চ তেওঁলোকৰ দৈনন্দিন জীৱনৰ অভিজ্ঞতাক ইয়াৰ লগত সংলগ্ন কৰিব পাৰে। ৰাইজ জড়িতকৰণৰ ফলত স্থানীয় মানুহে কি সমস্যাৰ সন্মুখীন হৈ আছে সেইটো ভালকৈ চিনাক্ত কৰিব পাৰে। গাঁও শিক্ষা সমিতিয়ে ক'ত নতুন স্কুল এখন খুলিব পৰা যাব বা কোনখন স্কুলত মেৰামতিৰ প্ৰয়োজন সেই বিষয়ে সিদ্ধান্ত লোৱাত কৰ্তৃপক্ষক সহায় কৰিব পাৰে। তেওঁলোকে শিক্ষকজন সময়মতে বিদ্যালয়লৈ আহি সঠিকমতে পাঠদান কৰেনে নাই সেই বিষয়তো চাব পাৰে। তেওঁলোকে লগতে এইটোও লক্ষ্য কৰিব পাৰে যে বিদ্যালয়খনত পৰ্যাপ্ত পৰিমাণে শ্ৰেণীকোঠা আছেনে আৰু শ্ৰেণীবোৰত ছাত্ৰ-ছাত্ৰীৰ বহিবলৈ ঠাইৰ নাটনি হৈছে নেকি ৰাইজে লগতে ছাত্ৰ-ছাত্ৰীয়ে সময়মতে পাঠ্যপুথি আৰু মধ্যাহ্ন ভোজন পাইছেনে সেই বিষয়েও পৰ্যবেক্ষণ কৰিব পাৰে। মধ্যাহ্ন ভোজনৰ খাদ্য

টোকা

ঠিকেই দিছে নে সেই বিষয়ত তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ লগত একে লগে বহি খাই চাব পাৰে। তেওঁলোকে পৰিয়াল পৰিদৰ্শন কৰি বিদ্যালয়লৈ নাহা ল'ৰা-ছোৱালী চিনাক্ত কৰিব পাৰে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকক অভিৰোচিত কৰি ছাত্ৰ-ছাত্ৰীক বিদ্যালয়লৈ অনাত সহায় কৰিব পাৰে। চমুকৈ আমি এইটো ক'ব পাৰো যে ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তিকৰণ আৰু গুণগত শিক্ষাৰ অগ্ৰগতিত ৰাইজৰ অংশগ্ৰহণ এক উত্তম পন্থা।

ওপৰত বৰ্ণনা কৰা ধৰণে RTE/SSAত শিক্ষাত ৰাইজৰ অংশগ্ৰহণ বহুত ক্ষেত্ৰত সফল হোৱাৰ এক উন্নত কৌশল, যেনে- প্ৰাসংগিক আৰু গুণগত শিক্ষা প্ৰদান, সংশ্লিষ্ট গোটক সম্পূৰ্ণৰূপে আকৃষ্টকৰণ, সমস্যা উদ্‌ঘাটন কৰি স্থানীয় সমলক প্ৰাধান্য দিয়া, প্ৰাসংগিক পাঠ্যক্ৰম আৰু শিকন সামগ্ৰী প্ৰস্তুতিত সহায় কৰা, স্থানীয় সমলৰ দায়বদ্ধতা বঢ়োৱা, বিশেষ লক্ষিত গোটৰ ওচৰ চপা, অতিৰিক্ত সমলৰ ব্যৱহাৰ, শৈক্ষিক প্ৰতিষ্ঠানৰ উন্নতকৰণ আদি।

আপুনি অৱগত যে বিভিন্ন গৱেষণামূলক কাৰ্যৰ পৰা এইটো প্ৰকাশ হৈছে যে গ্ৰামাঞ্চলৰ দৰিদ্ৰতা, সকলো ফালৰে পৰা অনুন্নত আদি অঞ্চলৰ শিশুৱে হয় বিদ্যালয়ত নামভৰ্তি কৰিব নোখোজে অথবা ভৰ্তি কৰিলেও আধাতে বিদ্যালয় ত্যাগ কৰে। আনকি গৱেষণাৰ পৰা এইটোও পোৱা গৈছে যে তেনেকুৱা ছাত্ৰ-ছাত্ৰী স্কুলত থাকিলেও তেওঁলোকৰ শিকন পৰ্যাপ্ত নহয়। সেইবাবে গ্ৰামাঞ্চলৰ দৰিদ্ৰ পৰিয়াল, ভূমিহীন শ্ৰমিক, চহৰাঞ্চলৰ বস্তি অঞ্চলত থকা পৰিয়ালসমূহ, বিশেষ লক্ষিত গোট যেনে - অনুসুচিত জাতি, অনুসুচিত জনজাতি বা মহিলাসকলৰ শৈক্ষিক দিশ উন্নীতকৰণ কৰাটো অতিকৈ আৱশ্যক। যদি এই গোটসমূহক জড়িত কৰিব পৰা হয়, তেতিয়া হ'লে তেওঁলোকে নিজৰ সমস্যা সমূহ বৰ্ণনা কৰিব পাৰিব আৰু সমাধানৰ পৰামৰ্শও আগবঢ়াব পাৰিব। ৰাজ্যসমূহে এই ক্ষেত্ৰত উপযুক্ত কাৰ্যক্ৰম ল'ব পাৰে।

চমুকৈ শিক্ষাত ৰাইজৰ অংশগ্ৰহণে তলৰ ক্ষেত্ৰসমূহৰ ক্ষেত্ৰত যোগাত্মক সঁহাৰি দিয়ে—

- শৈক্ষিক ব্যৱস্থাটো উন্নত কৰিবৰ বাবে বিত্তীয়, মানৱ আৰু বস্তুগত সমলসমূহৰ যথাৰ্থ ব্যৱহাৰ বঢ়োৱাত সহায় কৰে।
- জনসংখ্যাৰ সকলোকে সামৰি বিশেষকৈ সমাজৰ দুৰ্বল শ্ৰেণীকলৈ তেওঁলোকৰ প্ৰয়োজনীয় সমস্যা, আকাংক্ষা, আগ্ৰহ আদিক লৈ শিক্ষাটো আগবঢ়াই নিয়াত সুবিধা হয়।
- শৈক্ষিক পৰিৱৰ্তনৰ বাবে ৰাইজৰ অংশগ্ৰহণ ধৰি ৰাখিব পৰাটো অত্যন্ত প্ৰয়োজন। এইটো এটা উন্নত পদক্ষেপ গ্ৰহণৰ বাবে দৰকাৰী সঁজুলি হ'ব পাৰে।
- ৰাইজৰ অংশগ্ৰহণে শিক্ষকক সদায় সচেষ্ট হৈ থকাত সহায় কৰে।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 3**

**টোকা ঃ আপোনাৰ উত্তৰ লিখনৰ বাবে তলত খালী ঠাই ৰখা হৈছে।**

1. শিক্ষাত ৰাইজৰ অংশগ্ৰহণৰ তাৎপৰ্য বৰ্ণনা কৰক?



টোকা



## 4.3.4. শিক্ষাত ৰাইজৰ বৰঙণি

RTE আৰু SSA ৰাইজৰ সহযোগিতাত কাৰ্যকৰী কৰা হৈছে আৰু এইটো বিশ্বাস যে ৰাইজে বিভিন্ন ক্ষেত্ৰত যেনে - বিত্তীয় শৈক্ষিক সহযোগিতা, প্ৰশাসনীয় সহায় আদি দিশত সহায় কৰিব পাৰে। বিদ্যালয় আৰু শিক্ষকৰ বিভিন্ন ক্ৰিয়াকলাপত ৰাইজে পৰ্যবেক্ষণ আৰু চোৰাচিতা হিচাপত সহায় কৰিব পাৰে।

এতিয়া আমি ৰাইজে কি ধৰণে বৰঙণি আগবঢ়াব পাৰিম সেই বিষয়ে আলোচনা কৰিম-

ৰাইজ হ'ল এক ধৰণৰ পহৰা দিয়া কুকুৰ (Watchdog) হেঁচা দিয়া গোট (Pressure group) ৰাইজে বিদ্যালয়ৰ প্ৰধান শিক্ষক, সহঃ শিক্ষক, অধ্যক্ষ আদিৰ কাম-কাজ চোৰা-চিতা কৰিব পাৰে। তলৰ উদাহৰণবোৰ চালে আমি দেখিম যে ৰাইজে কেনেকৈ হেঁচা দি প্ৰধান শিক্ষকৰ বদলি বন্ধ কৰিছিল।

**ঘটনা অধ্যয়ন- 2 ৰাইজ হ'ল এক ধৰণৰ প্ৰেচাৰ গ্ৰুপ**

ৰাইজৰ সক্ৰিয় অংশগ্ৰহণৰ প্ৰভাৱ লক্ষ্য কৰা হৈছিল ধামটান চাহিব গাঁও, জিন্দ জিলা, হাৰিয়ানাত বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী শ্ৰীমতী জ্যোতি চেওকান্দে বিদ্যালয়খনৰ লগত জড়িত ৰাইজৰ লগত এক সংযোগ স্থাপন কৰি চলিছিল। নামভৰ্তিকৰণ প্ৰক্ৰিয়া, নিয়মীয়াকৈ পৰিচালনা সমিতিৰ সভা অনুষ্ঠিত কৰা প্ৰধান শিক্ষয়িত্ৰী গৰাকী ৰাইজৰ এগৰাকী দলনেত্ৰী হৈ পৰিছিল। ৰাইজে বিদ্যালয়খন নিয়মীয়াকৈ পৰ্যবেক্ষণ কৰি শিক্ষকৰ অনুপস্থিতি পৰীক্ষা কৰি এক পহৰা দিয়া কুকুৰ (Watchdog) ৰ দৰে ভূমিকা গ্ৰহণ কৰিছিল। ইয়াৰ ফলত বিদ্যালয়খনত দোপতদোপে নামভৰ্তি কৰা ল'ৰা-ছোৱালীৰ সংখ্যা বাঢ়িবলৈ ধৰে। প্ৰধান শিক্ষয়িত্ৰীগৰাকীৰ ঐকান্তিক প্ৰচেষ্টাত ৰাইজে গণিত, বিজ্ঞান আৰু ইংৰাজী বিষয়ত শিক্ষাকৰ্মী নিয়োগ কৰি গাঁওখনত থকা পঞ্চায়তৰ সহায়ত মাননী দিয়াৰ ব্যৱস্থা কৰিছিল। অঞ্চলটোত থকা প্ৰাইভেট স্কুলবিলাকে বিশেষ ধৰণে ক্ষতিগ্ৰস্ত হৈছিল আৰু মানুহে চৰকাৰী স্কুলখনতে নামভৰ্তি কৰণ কৰিবলৈ লৈছিল। তাৰ ফলত প্ৰাইভেট স্কুলখনৰ পৰিচালনা সমিতি যে ৰাজনৈতিক প্ৰভাৱ খটুৱাই প্ৰধান শিক্ষয়িত্ৰীগৰাকীক অন্য এক ঠাইলৈ বদলি কৰিছিল। পাছত ৰাইজে স্থানীয় বিধায়কক লগ ধৰি বদলিকৰণটো স্থগিত ৰাখিছিল। ইয়াৰ ফলত বিদ্যালয়খনৰ শৈক্ষিক সমস্যা সমূহ সমাধান কৰাত ৰাইজ সফল হৈছিল।

এইটোও দেখা যায় যে কিছুমান অভিভাৱক বিদ্যালয়লৈ আহি পাঠদান কাৰ্যতো সহায় কৰে। শিক্ষাত তেওঁলোক হৈ পৰে একোগৰাকী দক্ষ ব্যক্তি। অভিভাৱকে ল'ৰা-ছোৱালীক ব্যৱহাৰিক কাৰ্যৰ জ্ঞান আৰু কৌশল প্ৰদান কৰিব পাৰে। ৰাইজে কেনেদৰে বৰঙণি আগবঢ়ায় সেই বিষয়ে মানিবলৈ আমি তলৰ উদাহৰণবোৰ চাব পাৰো।



টোকা

**ঘটনা অধ্যয়ন- 3 ব্যৱহাৰিক কৌশল প্ৰদানত ৰাইজৰ সহযোগিতা**

চাইকেলৰ গঠন আৰু কাম জানিবলৈ কিছুসংখ্যক বিদ্যালয়ত এক কাৰ্য প্ৰণালী হিচাপে চাইকেল ৰখা হ'ল। বেছিভাগ শিক্ষকেই চাইকেল চলাই কিন্তু ইয়াৰ অংগবোৰৰ কাম কি নাজানে। চাইকেল মেকানিকক তাত সমল ব্যক্তি হিচাপে মতা হ'ল। তেওঁ চাইকেলৰ অংগবোৰৰ নাম কৈ কাৰ কি কাম বুজাই দিলে। এই সময়ছোৱাত মেকানিক জন শিক্ষকৰেই শিক্ষক হৈ পৰিল। এই অভিযোজনটো অন্য স্কুলৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ল। এইটো প্ৰমাণ হ'ল যে অভিভাৱক এজন ছাত্ৰ-ছাত্ৰীৰ শিকন অভিজ্ঞতাৰ বাবে দক্ষ ব্যক্তি হ'ব পাৰে।

## 4.3.5. প্ৰাসংগিক পাঠ্যক্ৰম আৰু শিকন সামগ্ৰী উন্নতকৰণ

আপুনি লক্ষ্য কৰিছে যে যেতিয়া অভিভাৱক আৰু ৰাইজ পাঠ্যক্ৰম প্ৰস্তুতিত জড়িত হৈ পৰে, তেতিয়া একেখন পাঠ্যক্ৰমেই সহজ আৰু আকৰ্ষণীয় হৈ পৰে। অভিভাৱক আৰু ৰাইজৰ অন্তৰ্ভুক্তিয়ে পাঠ্যক্ৰম আৰু শিকন সামগ্ৰীৰ প্ৰস্তুতিত বিশেষভাৱে উদগণি যোগাই য'ত ছাত্ৰ-ছাত্ৰীয়ে সমাজত প্ৰতিদিনে চলি যাব পাৰে। যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথি আৰু আন আনুসংগিক সামগ্ৰী ব্যৱহাৰ কৰে তেতিয়া সিহঁতে শিকি থকা কথাটোৰ লগত আগতে কি শিকিছে সেই বিষয়ে সহজে তালমিল ৰক্ষা কৰিব পাৰে। তলৰ উদাহৰণবোৰে স্পষ্টকৈ দেখুৱাইছে যে অভিভাৱক আৰু ৰাইজে ব্যৱহাৰিক কৌশল আয়ত্বকৰণত প্ৰস্তুতি আৰু কাৰ্যত কেনেদৰে অন্তৰ্ভুক্তি হৈছে।

**ঘটনা অধ্যয়ন- 4 অভিভাৱকৰ দ্বাৰা কাৰ্যভিত্তিক পাঠদান**

মহাৰাষ্ট্ৰৰ চন্দ্ৰপুৰ জিলাৰ ভেন্দু', ঘোদখিন্দি আদি অঞ্চলত বাল বিজ্ঞান উৎসৱ অনুষ্ঠিত কৰা হৈছিল। অভিভাৱকসকলে ইয়াত সহযোগ কৰিছিল। মাতৃ অভিভাৱকসকল বেছিকৈ জড়িত হৈছিল। তেওঁলোকে ছাত্ৰ-ছাত্ৰীক ছবি আঁকা। মাটিৰ মডেল বনোৱা, এম্ব্ৰইদাৰী কৰা আদি কৌশল শিকাইছিল। যেতিয়া অংশগ্ৰহণকাৰীসকলৰ দ্বাৰা মাতৃসকল আনন্দিত হৈ পৰিছিল, তেতিয়া শিক্ষকসকলে উপলব্ধি কৰিছিল যে ৰাইজক জড়িত কৰিলে কিমান শক্তি পায়। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ কাৰণে কাৰ্যভিত্তিক পাঠ প্ৰস্তুত কৰিছিল।

যেতিয়া শস্যৰ গঠন আৰু কযষিকৰ্ম সম্বন্ধে শিকন পাইছিল, তেতিয়া শিক্ষকে ভাবিছিল যে পাঠ্যপুথিত দিয়া ধাৰণা সমূহ একেবাৰে প্ৰাসংগিক। এইটো অনুভৱ হৈছিল যে অঞ্চল বিশেষে কৃষি পদ্ধতি সম্পূৰ্ণ বেলেগ যিটো পাঠ্যপুথিত উল্লেখ আছে। সেইবাবে তেখেতসকলে খেতিয়ক অভিভাৱকসকলক সহায় কৰাৰ সিদ্ধান্ত ল'লে। কিছুসংখ্যক শিক্ষকে খেতিয়ক অভিভাৱকসকলক শ্ৰেণীকোঠালৈ মাতিলে আৰু তেওঁলোকৰ বাবে এটা ফিল্ড ট্ৰিপ বনালে। এইধৰমৰ কাৰ্যক্ৰমণিকাত ছাত্ৰ-ছাত্ৰীসকলে খেতিয়ক অভিভাৱকসকলৰ পৰা আৰু লগতে পৰ্যবেক্ষণৰ দ্বাৰা শিকন লাভ কৰিলে। শিক্ষকে অনুভৱ কৰিলে যে এইটো বাস্তৱ জীৱনৰ বাবে এক



টোকা



ডাঙৰ অভিজ্ঞতা হ'ল। অভিভাৱকেও বিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীৰ লগত মত বিনিময় কৰিবলৈ এক ডাঙৰ সুবিধা পালে।

## 4.3.6. সমস্যা চিনাক্তকৰণ আৰু সম্বোধিতকৰণ

ৰাইজে সমস্যা চিনাক্তকৰণত সহায় কৰিব পাৰে আৰু কাৰণসমূহ ক'ব পাৰে যাতে শৈক্ষিক সমস্যাসমূহত বৰঙণি আগবঢ়াব পাৰে, যেনে - কম সংখ্যক ছাত্ৰ-ছাত্ৰী আদাতে বিদ্যালয় এৰা আৰু ল'ৰা-ছোৱালীৰ শিকন অগ্ৰগতি নিম্নগামী হোৱা আদি বহুত ক্ষেত্ৰত অভিভাৱক আৰু ৰাইজে সক্ৰিয়ভাৱে জড়িত হৈ বিদ্যালয় বহিৰ্ভুত শিশুৰ সংখ্যা চিনাক্ত কৰি তেওঁলোকক নামভৰ্তিকৰণত সহায় কৰি দিয়া।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 4**

টোকা ঃ আপোনাৰ উত্তৰৰ বাবে তলত ঠাই দিয়া হৈছে।

1. ৰাইজে যে বৰঙণি যোগাব পাৰে সেই বিষয়ে বিভিন্ন উদাহৰণৰ সহায়ত ব্যাখ্যা কৰক।

..........................................................................................

..........................................................................................

..........................................................................................

2. আপুনি ভাবেনে অভিভাৱক আৰু ৰাইজে পাঠ্যক্ৰম প্ৰস্তুতিত সক্ৰিয়ভাৱে জড়িত হ'ব পাৰে?

..........................................................................................

..........................................................................................

..........................................................................................

## 4.4. ৰাইজৰ অংশগ্ৰহণে কেনেকৈ শিক্ষাৰ অগ্ৰগতি সাধন কৰিব পাৰে?

তলৰ উদাহৰণৰ পৰা ৰাইজৰ অংশগ্ৰহণে যে শিক্ষাত অগ্ৰগতি সাধন কৰিব পাৰে সেইটো জনা যায়।

**ঘটনা অধ্যয়ন- 5 ৰাইজ জড়িতকৰণৰ সমল**

চিত্ৰ দুৰ্গা জিলাৰ মোলকালামুৰা মণ্ডলৰ কন্দলাহল্লি এ কে কলনিৰ এখন বিদ্যালয় য'ত অধিক জনসংখ্যা থকা এটা বিশেষ সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীয়ে অধ্যয়ন কৰে যিবিলাকে ... ৰখীয়া হৈ থাকে। ৰাজ্যখনৰ অন্য চৰকাৰী বিদ্যালয়ৰ দৰে ইয়াতো নূন্যতম আন্তঃগাঁথনিৰ অভাৱ, ল'ৰা-ছোৱালীৰ সংখ্যা বেছি, অপৰ্যাপ্ত শ্ৰেণীকোঠা, খেলপথাৰ বিহীন আৰু উচ্চ হাৰত বিদ্যালয় বহিৰ্ভুত শিশু আছে। পঞ্চায়ত



টোকা

পৰ্যায়ত হৈ থকা প্ৰশিক্ষণ কাৰ্যসূচীত পৰিচালনা সমিতিৰ সদস্যই নামমাত্ৰ অংশগ্ৰহণ কৰি অন্য দূৰৰ ঠাইলৈ গুচি যায়। তেওঁলোকে জিলা পৰিষদক সাক্ষাৎ কৰি পঞ্চায়ত লেভেলত থকা বিদ্যালয়খনৰ বিষয়ে এক তুলনামূলক তথ্য দিয়ে। জিলা পৰিষদে বিদ্যালয়খনলৈ 24000 টকাৰ এক অনুদান দিয়ে আৰু বিদ্যালয়খন মেৰামতি কৰা হয়। তেতিয়া তেওঁলোকে অধিক শ্ৰেণীকোঠা বিচাৰি টালুক পঞ্চায়তৰ ওচৰ চাপে। ইয়াতো সৰ্বশিক্ষাৰ অধীনত এটা শ্ৰেণীকোঠা বনোৱা হয়। বিদ্যালয় পৰিচালনা সমিতিয়ে ৰাইজক জড়িত কৰি গাঁও পঞ্চায়তৰ পৰা 5000 টকাত এটা অনুদান লৈ পানীৰ টেংকি বনায়। তাৰ পাছত ৰাইজক জড়িত কৰি নতুনকৈ প্ৰস্ৰাৱগাৰ তৈয়াৰ কৰে। বিদ্যালয় পৰিচালনা সমিতিয়ে এতিয়া উপলব্ধি কৰিছে যে আধাতে বিদ্যালয় এৰা ল'ৰা-ছোৱালীবোৰক পুনৰ কেনেকৈ বিদ্যালয়লৈ ওবতাই আনিব পৰা যায়। (কৰ্ণাটকৰ দয়াৰাম নামৰ ঠাইৰ প্ৰয়ত্ন নামৰ প্ৰাথমিক শিক্ষাৰ ওপৰত এক প্ৰচেষ্টা নামৰ সংস্থাটোৰ পৰা লোৱা অভিজ্ঞতা। বিদ্যালয় পৰিচালনা সমিতি আৰু শিক্ষাৰ অধিকাৰ আইন, 2009) ওপৰৰ উদাহৰণটোৰ পৰা আপুনি গম পাইছে যে ৰাইজৰ অংশগ্ৰহণে বিভিন্ন স্তৰত শিক্ষাত কেনেদৰে বৰঙণি আগবঢ়াব পাৰে। RTE আৰু SSAৰ জৰিয়তে বিভিন্ন ৰাইজে আগবঢ়োৱা বৰঙণিৰ এখন তালিকা দেখুওৱা হ'ল—

- বিদ্যালয় বহিৰ্ভুত ল'ৰা-ছোৱালীক চিনাক্তকৰণ কৰিবলৈ সহায় কৰা।
- সকলো ল'ৰা-ছোৱালীৰ নামভৰ্তি আৰু আধাতে বিদ্যালয় ত্যাগ নকৰাকৈ থাকি যোৱা।
- নামভৰ্তিৰ বাবে সভা সমিতি অনুষ্ঠিত কৰা আৰু শৈক্ষিক সুবিধা গ্ৰহণ কৰা।
- বিদ্যালয়ৰ বাবে টকা-পইচাৰ অনুদান অনা।
- ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি আৰু নিৰ্দিষ্ট শ্ৰেণীলৈ পঢ়াটো নিশ্চিত কৰা।
- বিদ্যালয়ৰ আন্তঃগাঁথনি, মেৰামতি আদি উন্নীত কৰা।
- শিক্ষক নিযুক্তি আৰু শিক্ষকক সহযোগিতা কৰা।
- বিদ্যালয়ৰ স্থান নিৰ্ণয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা।
- শিক্ষকৰ উপস্থিতি আৰু অগ্ৰগতি চোৱাচিতা কৰা আৰু ব্যৱস্থা গ্ৰহণ কৰা।
- বিদ্যালয় পৰিচালনা কৰিবলৈ গাঁও শিক্ষা সমিতিক সক্ৰিয় কৰি তোলা।
- বিদ্যালয়ৰ সভা-সমিতিত সক্ৰিয়ভাৱে যোগদান কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ শিকন অগ্ৰগতি আৰু শ্ৰেণীকোঠাৰ আচৰণ বুজি উঠা।
- জীৱন শৈলী আৰু স্থানীয় সংস্কৃতিৰ বিষয়ে অৱগত কৰোৱা।
- ল'ৰা-ছোৱালীক অধ্যয়নত সহায় কৰা।
- স্ত্ৰী শিক্ষাৰ ওপৰত বেছিকৈ প্ৰাধান্য দিয়া।
- বিদ্যালয় শৈক্ষিক দিনপঞ্জীৰ সূচী জনা।


টোকা

- বিদ্যালয়খন চলাই নিবলৈ বাজেট প্ৰস্তুতিত সহায় কৰা।
- বিদ্যালয়, খণ্ড আৰু জিলাৰ কাৰ্যালয়ৰ লগত যোগসূত্ৰ স্থাপন কৰা।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা- 5**

টোকা ঃ আপোনাৰ উত্তৰৰ সাপেক্ষে ঠাই দিয়া আছে।

1. শিক্ষাৰ অধিকাৰ আইন অনুসৰি শিক্ষাত ৰাইজৰ অন্তৰ্ভুক্তিকৰণৰ বিভিন্ন ক্ৰিয়াকলাপ উদাহৰণৰ সৈতে ব্যাখ্যা কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

2. মহাৰাষ্ট্ৰৰ শিক্ষাত ৰাইজৰ বৰহণি কেনেধৰণৰ আছিল? তেনেকুৱা ব্যৱস্থাপনা ভাৰতৰ অন্য ৰাজ্যত আছে নেকি সংগ্ৰহ কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

**ৰাইজ জড়িতকৰণৰ উল্লেখনীয় দিশসমূহ**

ৰাইজ

- VEC/WECৰ সভাবোৰ নিয়মীয়াকৈ পতাটো নিশ্চিত কৰা।
- বিদ্যালয় বহিৰ্ভুত শিশু চিনাক্তকৰণ
- বিদ্যালয়ত নামভৰ্তিৰ বাবে পৰিয়ালক সহায় কৰা
- শ্ৰেণীকোঠাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া নিৰীক্ষণ কৰা।
- বিদ্যালয়ৰ নিৰীক্ষণ কৰি আন্তঃগাঁথনি, গৃহনিৰ্মাণ চোৱা-চিতা কৰা।
- ছাত্ৰ-ছাত্ৰীয়ে নিয়মীয়াকৈ আৰু উন্নত মানৰ মধ্যাহ্ন ভোজন পাইছেনে তাক চোৱা-চিতা কৰা।
- ছাত্ৰ-ছাত্ৰীয়ে সময় মতে বিনামূলীয়া পাঠ্যপুথি আৰু পোছাক পাইছেনে তাক নিৰীক্ষণ কৰা।
- শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিৰীক্ষণ কৰা

### RTE/SSAৰ ৰাইজ জড়িতকৰণৰ মূল গাঁথনি

আপুনি জানেনে ভাৰতবৰ্ষ হ'ল এখন দেশ আৰু প্ৰত্যেক ৰাজ্যতে গাঁও শিক্ষা সমিতি আৰু বিদ্যালয় পৰিচালনা সমিতি যাৰ একোটাকৈ নিজস্ব নাম আছে। কিন্তু এইবোৰৰ দায়িত্ব আৰু ক্ষমতা সকলোতে একে ধৰণৰ। এ কিমিটীবোৰৰ গঠন আৰু কাম তলত দিয়া ধৰণৰ-



টোকা

## 4.5. গাঁও শিক্ষা সমিতি (VEC)

গাঁও শিক্ষা সমিতিৰ এটা প্ৰধান ভূমিকা হ'ল বিদ্যালয় বহিৰ্ভূত শিশু চিনাক্তকৰণ। গাঁও শিক্ষা সমিতিৰ দ্বাৰা কৰা জৰীপৰ ওপৰত ভিত্তি কৰিয়েই এটা স্কুল ৰেজিষ্টাৰ বনোৱা হয়। স্কুল ৰেজিষ্টাৰটোই বিদ্যালয় বহিৰ্ভূত বনোৱা হয়। স্কুল ৰেজিষ্টাৰটোই বিদ্যালয় বহিৰ্ভূত শিশুৰ সংখ্যা আৰু বিদ্যালয়ৰ অৱস্থাৰ বিষয়ে উল্লেখ থাকে।

**ইয়াৰ প্ৰধান কাম ঃ**

- নামভৰ্তিকৰণ প্ৰক্ৰিয়া, সজাগতামূলক সভা, শিশুমেলা, মা-বেটি মেলা আৰু কিশোৰী মেলা আদি অনুষ্ঠিত কৰি ৰাইজক প্ৰাথমিক শিক্ষাৰ লগত জড়িতকৰণ কৰা।
- বিদ্যালয় গৃহ নিৰ্মাণত VECৰ এক উল্লেখনীয় ভূমিকা আছে। বস্তু অনা নিয়া কৰা আৰু চোৱা চিতা কৰাটো ইয়াৰ এক গুৰুত্বপূৰ্ণ কাম।
- নিয়মীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা চোৱা, উপস্থিতি, স্থায়ীকৰণ আৰু ল'ৰা-ছোৱালী শিকন-জখলা চোৱাটো।
- ছাত্ৰ-ছাত্ৰীৰ তথ্য ৰেজিষ্টাৰ আৰু কেচবুক ৰখাটো। ইয়াৰ লগতে বিদ্যালয়লৈ অহা অনুদানো চোৱা চিতা কৰা।
- কিছুমান ৰাজ্য, যেনে - জম্মু আৰু কাশ্মীৰত VEC শিক্ষা কৰ্মী নিয়োগত ব্যস্ত হয়। VECয়ে বিদ্যালয়ৰ ক্ৰিয়াকলাপ চোৱা চিতাৰ উপৰিও তেনে শিক্ষাকৰ্মীক নিয়মীয়াকৰণৰ ক্ষেত্ৰতো VECৰ পৰা তথ্য বিচাৰে।
- ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু শিক্ষকৰ অনুপস্থিতি চোৱা-চিতা কৰে।
- বিদ্যালয়গৃহ সঠিকভাৱে ৰখাটো।
- বিদ্যালয় ভিত্তিক কাৰ্য পৰিচালনা কৰা। যাতে VECৰ সফল কৰিবলৈ বা লক্ষ্য পূৰ কৰা।
- বিদ্যালয়খনৰ সকলো দিশৰ বিকাশৰ বাবে ৰাইজক অবিৰোচিত কৰা যাতে তেওঁলোকৰ পৰা নগদ ধন/মৰম তথা পৰিশ্ৰম আদায় কৰিব পৰা যায়।

**ঘটনা অধ্যয়ন- 6 ঃ** উত্তৰ প্ৰদেশৰ গাঁও শিক্ষা সমিতি

এখন গাঁও শিক্ষা সমিতি প্ৰত্যেক গাঁও পঞ্চায়তে বাধ্যতামূলক। এখন পঞ্চায়তত সকলো প্ৰাইমাৰী আৰু চৰকাৰী বুনিয়াদী বিদ্যালয়ৰ বাবে এখনেই গাঁও শিক্ষা সমিতি থাকে। গাঁও শিক্ষা সমিতিখন পাঁচজন সদস্যৰে গঠিত। ইয়াৰ মুৰব্বী হ'ল গাঁও প্ৰধানগৰাকী (যিয়ে গাঁওসভাত গাঁৱৰ মুৰব্বী হিচাপে নিৰ্বাচিত হৈ আহিছে) এইন সদস্যসকল বিদ্যালয়কেইখনৰ প্ৰধান শিক্ষকসকলৰ অতি জ্যেষ্ঠজন আৰু বিদ্যালয়কেইখনৰ পৰা তিনিজন অভিভাৱক। গাঁৱৰ মুৰব্বীগৰাকী আৰু জ্যেষ্ঠ প্ৰধান শিক্ষকজনৰ মাজত যুটীয়াভাৱে বেংক একাউণ্ট খোলা হয়। বছৰেকীয়া আন্তঃগাঁথনি আৰু মেৰামতিৰ অনুদান যুটীয়া একাউণ্টৰ যোগেদি গ্ৰহণ কৰা হয়। শিক্ষণ শিকন সামগ্ৰী, ইউনিফৰ্ম, বিদ্যালয় গৃহ নিৰ্মাণ, অতিৰিক্ত শ্ৰেণীকোঠা,

টোকা

প্ৰস্ৰাৱগাৰ, খোৱাপানীৰ সুবিধা আৰু ঠিকাভিত্তিক শিক্ষকৰ দৰমহা এই একাউণ্টৰ যোগেদি দিয়া হয়। গাঁও পঞ্চায়ত একাউণ্ট যিটো VECৰ মুৰব্বীগৰাকীয়ে চোৱা-চিটা কৰিব লাগে, তেখেতেই বৃত্তিৰ ধন আৰু মধ্যাহ্ন ভোজনৰ ধন গ্ৰহণ কৰিব লাগে। স্কুলৰ একাউণ্টত অহা ধনৰ VECয়ে পৰিচালনা আৰু চোৱা চিটা কৰিব লাগে আৰু এইটো ঠিক কৰিব লাগে যে অনুদানখিনি ক'ত খৰচ কৰা হ'ব যদি বিদ্যালগৃহৰ কাম থাকে তেন্তে অনুদান বিচাৰি আবেদন কৰা, একাউণ্টৰ হিচাপ ৰখা, ঠিকাভিত্তিক শিক্ষাৰে দৰমহা দিয়া আদি। শিক্ষকৰ চুক্তি দহ মাহ কৰা আৰু VECয়ে সিদ্ধান্ত কৰিব যে পাছৰ বছৰত সেইজন ব্যক্তিক পুনৰ মকৰল কৰা হ'ব নে নাই। দুই তৃতীয়াংশ সদস্যৰ সমৰ্থনত VECয়ে চুক্তিৰ সময়ছোৱাতে ঠিকাভিত্তিক চুক্তি আঁতৰাই ব্যক্তিজনক আঁতৰাই দিব পাৰে।



ওপৰৰ ছবিখনত কি ঘটনা দেখিছে? আপুনি ক'ব পাৰিব যে কেনেকুৰা সভা তাত চলি আছে।

চিত্ৰ ঃ VECৰ গঠন আৰু ভূমিকা





টোকা

**ঘটনা অধ্যয়ন- 7 ঃ গাঁও শিক্ষা সমিতিৰ কাম-কাজৰ প্ৰতিফলন**

হাৰিয়ানাৰ জিন্দ জিলাৰ নৰৱনাত নতুনকৈ গঠন কৰা সাৰে কাম-কাজক লৈ কিছুমান জটিল প্ৰশ্নৰ অৱতাৰণা হৈছিল। বিদ্যালয় কৰ্তৃপক্ষ নিশ্চিত যে শিক্ষা বিভাগৰ নিৰ্দেশনা অনুযায়ী বিদ্যালয় পৰিচালনা সমিতি (SMC) গঠন কৰা হৈছে। সভাৰ ৰেকৰ্ড অনুযায়ী যিখন SMC গঠন হৈছিল সেইখন বিদ্যালয় কৰ্তৃপক্ষই পৰীক্ষা কৰা চাইছিল। কিন্তু ৰেকৰ্ড অনুযায়ী যিবিলাক সদস্যৰ সভাত উপস্থিত থকাৰ চহী বা টিপ চহী (অশিক্ষিত ব্যক্তি) আছে, তেনেকুৰা সভাত উপস্থিত থকা বুলি অস্বীকাৰ কৰিছিল। তেওঁলোকে কোৱা মতে বিদ্যালয়ৰ শিক্ষকে তেওঁলোকৰ ঘৰে ঘৰে গৈ চহী আনিছে। কোনো এজন সাক্ষাৎ দিয়া অভিভাৱকে SMC গঠন কৰাৰ কোনো উদ্দেশ্য গম নাপায়। আনকি চহৰাঞ্চলতো লিংগ বৈষম্যতা দেখা গৈছিল। স্থানীয় নিকায়ৰ প্ৰতিনিধি (মিউনিচিপাল কমিটীৰ সদস্য) গৰাকী মহিলা আছিল আৰু তেখেতৰ সকলো কাম গিৰিয়েকেই কৰিছিল। তেওঁ SMC গঠন কৰা নকৰা সম্পৰ্কতো একো কথা ক'ব নোৱাৰিলে (অথচ তেওঁৰ চহী তাত কৰা আছে)। তেওঁ সহজ উত্তৰ দিছিল — 'মোৰ পতিক সুধিলে গম পাবা। মই কেৱল তাত চহীহে কৰিছোঁ' (তেতিয়া হ'লে সেই কমিটীৰ পৰা কি আসা কৰিব পাৰে। বৰ্ণনাকাৰী কমলেশ নৰৱানা, পি এইচ ডি গৱেষক ছাত্ৰ, ইতিহাস অধ্যয়ন কেন্দ্ৰ) জে এম ইউ।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক**

টোকা ঃ আপোনাৰ উত্তৰৰ সাপেক্ষে তলত ঠাই দিয়া আছে।

1. RTE প্ৰয়োগত গাঁও শিক্ষা সমিতিৰ কাৰ্যসমূহ ব্যাখ্যা কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

2. আপোনাৰ গাঁও/ৱাৰ্ডত গাঁও শিক্ষা সমিতি/ৱাৰ্ড শিক্ষা সমিতি গঠন হৈছে নে প্ৰকাশ কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

**কাৰ্য ঃ 1**

1. গাঁও শিক্ষা সমিতিৰ সভা পৰিদৰ্শন আৰু নিৰীক্ষণ কৰক।

2. আপোনাৰ অঞ্চলত সভা সমিতিবোৰ অনুক্ৰমত হয়নে?

3. ৰেজিষ্টাৰখন চাওক আৰু পৰ্যবেক্ষণ কৰক। সভা সমিতিত লোৱা সিদ্ধান্তসমূহ কাৰ্যকৰী কৰণ হৈছেনে?



টোকা

## 4.6. বিদ্যালয় পৰিচালনা সমিতি (SMC) শিক্ষক-অভিভাৱক সংস্থা (DTA)

কিছু সংখ্যক ৰাজ্য যেনে- কৰ্ণাটক, মধ্যপ্ৰদেশ আদিত বিদ্যালয় পৰিচালনা সমিতিখন বিদ্যালয় উন্নয়নৰ আৰু নিৰীক্ষণ সমিতি হিচাপে আৰু শিক্ষক-অভিভাৱক সংস্থা প্ৰতিখন চৰকাৰী বিদ্যালয়ত গঠন হৈছে য'ত শিক্ষাত ৰাইজৰ অংশ গ্ৰহণ নিশ্চিত কৰিব খোজা হৈছে।

### বিদ্যালয় পৰিচালনা সমিতি গঠন

শিক্ষাৰ অধিকাৰ আইন প্ৰয়োগ হোৱা ৰাজ্যসমূহৰ তিনি চতুৰ্থাংশ (75%) পৰিচালনা সমিতিৰ সদস্যই অভিভাৱকৰ পৰা অনা হৈছে। তাৰে

যেনে ঃ অভিভাৱক সন্থা য'ত বিভিন্ন বা একেজাতীয় পৰিয়ালৰ সদস্যই মিলিত হয় আৰু নিজৰ সন্তানৰ উন্নতিৰ কথা চিন্তা কৰে। তাৰে 50% মহিলা। গাঁও ৱাৰ্ডখনত থকা আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীসমূহ সমানুপাতিক হাৰত পৰিচালনা সমিতিক প্ৰতিনিধিত্ব কৰে। বাকী থকা এক চতুৰ্থাংশ (25%)ৰ এক তৃতীয়াংশ স্থানীয় কৰ্তৃপক্ষ, এক তৃতীয়াংশ শিক্ষক আৰু এক তৃতীয়াংশ শৈক্ষিক দিশৰ ব্যক্তি/ছাত্ৰ।

RTE মতে SMCৰ উল্লেখযোগ্য ক্ষমতা আৰু কৰ্তব্যসমূহ তলত উল্লেখ কৰা ধৰণৰ।

## 4.6.1. SMC/PTAৰ মুখ্য কাৰ্যসমূহ

- RTE নিৰ্দেশনা অনুযায়ী বিদ্যালয় উন্নয়ন পৰিকল্পনা গঠন কৰা।
- বিদ্যালয় উন্নয়ন পৰিকল্পনাত নিৰীক্ষণ আৰু সহযোগিতা আগবঢ়োৱা।
- শিক্ষকৰ নিয়মানুৱৰ্তিতা আৰু দৈনিক উপস্থিতি নিশ্চিত কৰা।
- নিম্ন ও উচ্চ প্ৰাইমাৰী বিদ্যালয়ৰ প্ৰধান শিক্ষকলৈ আৰ্জিত আৰু নৈমত্তিক ছুটীৰ অনুমোদন দিয়া।
- অব্যৱহাৰযোগ্য বিদ্যালয়ৰ সামগ্ৰীসমূহ নিলামত দিয়া আৰু পোৱা টকাৰ পৰিমাণ বিদ্যালয়ৰ শৈক্ষিক কামত খৰচ কৰা।
- আধাতে বিদ্যালয় এৰা শিশুক পুনৰ নামভৰ্তিকৰণৰ বাবে বিভিন্ন সেঁতু বন্ধন কাৰ্যক্ৰম আদি অনুষ্ঠিত কৰা।
- বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ কামত চকু দিয়া।
- অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক বিদ্যালয়ত নামভৰ্তি কৰি নিয়মীয়াকৈ বিদ্যালয়লৈ পঠিওৱাটো নিশ্চিত কৰা।
- বিভিন্ন বিষয়ৰ অগ্ৰগতিত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি হোৱা পৰীক্ষাকৰণ।
- বিদ্যালয়ৰ সকলো ক্ৰিয়াকলাপ, শৈক্ষিক, প্ৰশাসনিক আৰু বিত্তীয় দিশত



টোকা

পৰ্যবেক্ষণ আৰু আলোচনা কৰা।

- চৰকাৰৰ পৰা অহা সকলো সা-সুবিধা ছাত্ৰ-ছাত্ৰীয়ে পোৱা নিশ্চিত কৰা।
- বিদ্যালয়লৈ অহা অনুদানৰ হিচাপ ভালদৰে ৰখা আৰু ইয়াৰ সুফল সমূহ ৰাইজৰ লগত আলোচনা কৰা।
- সম্ভৱপৰ সকলো ক্ষেত্ৰতে বিদ্যালয়ৰ যিকোনো ক্ৰিয়াকলাপত তথ্য সংৰক্ষণ মজুত লাগে।

তলৰ উদাহৰণটোৰ পৰা আমি গম পাওঁ যে SMCৰ সদস্যই বৈদ্যুতিক সংযোগৰ মেৰামতিৰ বাবে তেওঁলোকৰ দাবী নিৰ্দিষ্ট ঠাইত কিদৰে উত্থাপন কৰি সমস্যা সমাধান কৰিছিল।

**ঘটনা অধ্যয়ন- 8 ঃ SMCৰ কৃতকাৰ্যতাৰ চিহ্ন, নুৱাপদা, ওড়িশা**

ওড়িশাৰ বোডেন ব্লকৰ কামলামল বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত এক সৰু দুৰ্ঘটনা হৈছিল কাৰণ বিদ্যালয় চৌহদৰ ভিতৰত থকা ট্ৰেন্সফৰ্মাৰ এটাৰ লগত 100 KV ৰাস্তাৰে যোৱা তাঁৰ তাত সংযোগ কৰাই আছিল। বিদ্যালয় উন্নয়ন পৰিকল্পনাত লাভ কৰা প্ৰশিক্ষণৰ পৰা SMC সদস্যসকল কিছু পৰিমাণে লাবান্বিত হৈছিল যি তাৰ পৰা ট্ৰেন্সফৰ্মাৰটো উঠাই নিবলৈ তেওঁলোকে বিদ্যুৎ ব'ৰ্ড আৰু জিলা শিক্ষা বিষয়াক দাবী জনাইছিল। তেওঁলোকে এই দাবী লৈ এমাহৰ ভিতৰত ব্যৱস্থা ল'বলৈ নিয়মীয়াকৈ কৰ্তৃপক্ষৰ লগত যোগাযোগ ৰাখি আছিল। জিলা শিক্ষা বিষয়াই এই ক্ষেত্ৰত এজন অভিযন্তাক গোটেই ঘটনাটো চোৱা-চিতা কৰিবলৈ দায়িত্ব দি ট্ৰেন্সফৰ্মাৰটো আঁতৰোৱাৰ বাবে 1,00,000 লাখ টকাৰ অনুদান দিছিল।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক**

টোকা ঃ আপোনাৰ উত্তৰৰ সাপেক্ষে কিছু ঠাই দিয়া আছে।

1. SMCৰ কাম-কাজৰ ব্যাখ্যা কৰক?

..........................................................................................................

..........................................................................................................

..........................................................................................................

2. আপোনাৰ চুবুৰিৰ বিদ্যালয়ত যদি শিক্ষক-অভিভাৱক সংস্থা গঠন হৈছে তেন্তে তেওঁলোকৰ কাৰ্য প্ৰণালী প্ৰত্যক্ষ কৰি লিখক?

..........................................................................................................

..........................................................................................................

..........................................................................................................

3. SMC/PTAই সভা আহ্বান কৰেনে? যদি কৰে তেন্তে বছৰত কিমান বাৰ? (স্কুলৰ ৰেজিষ্টাৰ চাই যোৱা তিনি মাহত কিমানখন সভা হৈছে লিপিবদ্ধ কৰক)

..........................................................................................................

..........................................................................................................

টোকা

## 4.7. বিভিন্ন ৰাজ্যত ৰাইজৰ অংশ গ্ৰহণৰ বাবে কি কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ (UEE)ৰ লক্ষ্যৰে ৰাইজ জড়িতকৰণৰ বাবে বিভিন্ন ৰাজ্যসমূহে লোৱা পদক্ষেপ তলত দিয়া হ'ল যাতে আপুনি ৰাইজৰ অংশগ্ৰহণৰ বাবে পদক্ষেপ ল'ব পাৰে।

**অন্ধ্ৰপ্ৰদেশ ঃ**

- বাল মিত্ৰ কেন্দ্ৰত ছোৱালীৰ শিক্ষাৰ বাবে বিশেষ যত্ন লোৱা হয়। জ্ঞাত শিক্ষকক নিৰ্বাচিত কৰা, কেন্দ্ৰ পৰিদৰ্শন কৰা আৰু শিক্ষকৰ দৰমহাৰ বাবদ অনুদান দিয়া আদি কামত অভিভাৱকসকল সক্ৰিয় ভাৱে জড়িত হৈ থাকে।

**অসম ঃ**

- প্ৰয়োজনানুসাৰে শিক্ষকৰ মকৰল কৰা
- বিশেষ সক্ষম ল'ৰা-ছোৱালীৰ নামভৰ্তিৰ বাবে অভিভাৱকক অভিৰোচিত কৰা।
- বিদ্যালয় উন্নয়নৰ বাবে অনুদানৰ সৎ ব্যৱহাৰ কৰা।

**বিহাৰ ঃ**

- ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতিৰ বাবে আৰু পৰিদৰ্শনৰভাৱে বিশেষভাৱে অনুদান আগবঢ়োৱা।
- উন্নত প্ৰযুক্তি বিদ্যাৰে বিদ্যালয়গৃহৰ কাম কৰা।

**দাদৰ আৰু নগৰ হাভেলি ঃ**

- খোৱাপানীৰ ব্যৱস্থাৰ সুবিধা
- নামভৰ্তিকৰণৰ বাবে শালা প্ৰৱেশ উৎসৱ অনুষ্ঠিত কৰা।

**গুজৰাট ঃ**

- প্ৰাক শৈশৱ কেন্দ্ৰৰ বিকাশ আৰু পৰিচালনাৰ বাবে শাখি, সহায়োগিনি আৰু অংগনৱাড়ী কেন্দ্ৰ গঠন। এই কেন্দ্ৰসমূহ ৰাইজৰ তত্ত্বাৱধানত পৰিচালিত হয় আৰু স্থানীয় সমল ব্যক্তিক নিয়োজিত কৰি পাৰিশ্ৰমিক দিয়া হয়।
- বিকল্প বিদ্যালয়সমূহৰ ল'ৰা-ছোৱালীক শিক্ষা, সামগ্ৰী, যেনে - কিতাপ, বহী, কলম, পেঞ্চিল, বিস্কুট, বহা ম্যাট (ঢাৰি) আদি যোগান ধৰা হয়।

**হাৰিয়ানা ঃ**

- ৰাইজৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু শিক্ষকৰ নিয়মীয়া আহ-যাহ পৰ্যবেক্ষণ কৰা হয়।
- ৰাইজৰ দ্বাৰাই বিশেষ সক্ষম ল'ৰা-ছোৱালীকো নিৰীক্ষণ কৰা হয়।

**হিমাচল প্ৰদেশ ঃ**

- গুণাগুণ সম্পন্ন আৰু প্ৰতিদিনে যোগান ধৰা মধ্যাহ্ন ভোজন ৰাইজৰ দ্বাৰা চোৱা



টোকা

চিতা কৰা হয়।

**ঝাৰখণ্ড ঃ**

- গাঁও শিক্ষা সমিতিয়ে বিদ্যালয়ৰ কাম কাজ চোৱা চিতা কৰা, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি, ছোৱালীৰ নামভৰ্তি, বিদ্যালয় গৃহ নিৰ্মাণ, বিদ্যালয় বহিৰ্ভুত শিশুৰ সংখ্যাৰ হিচাপ ৰখা, শিক্ষকৰ নিযুক্তি আদি কাম কাজ চোৱা চিতা কৰে।
- শিক্ষক-অভিভাৱক সংস্থাই শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে পোৱা সমস্যাবোৰ আঁতৰোৱা, বিদ্যালয়ৰ অগ্ৰগতিৰ বাবে সঘনে সভা অনুষ্ঠিত কৰে।
- প্ৰতি তিনি মাহত আম সভা (সাধাৰণ সভা) পাতি প্ৰাথমিক হিচাপ-নিকাচ কৰা।
- শিক্ষকৰ অনুপস্থিতিত স্থানীয় শিক্ষক/সমল ব্যক্তিক বিদ্যালয়ৰ কাম-কাজত লগোৱা।
- ছাত্ৰ-ছাত্ৰীৰ মাজত আলোচনা-বিলোচনাৰ বাবে ছাত্ৰ কেবিনেট গঠন কৰা।
- বিদ্যালয়ত নামভৰ্তিৰ বাবে CWSN ল'ৰা-ছোৱালী চিনাক্তকৰণ কৰা।

**কৰ্ণাটক ঃ**

- স্বেচ্ছাসেৱক নিয়োগ আৰু প্ৰশিক্ষণত হোৱা খৰচৰ বাহিৰে কোনো পাৰিশ্ৰমিক নোহোৱাকৈ সংঘ, মহিলা সমিতিৰ দ্বাৰা কেন্দ্ৰসমূহ পৰিচালনা কৰা। এই সংঘবোৰত মহিলাৰ দ্বাৰা গঠন কৰা হয় যিয়ে প্ৰাথমিক বিদ্যালয়ত নামভৰ্তিৰ বাবে বিশেষভাৱে ভূমিকা গ্ৰহণ কৰে।

**মধ্যপ্ৰদেশ ঃ**

- শিক্ষাত সমতা আৰু গুণগত মান নিশ্চিতকৰণৰ বাবে ২০০২ চনতে গঠিত জনশিক্ষা অভিযানে ৰাইজক কেন্দ্ৰবোৰলৈ ওচৰ চপাই আনিছে।
- গাঁও শিক্ষা পঞ্জীয়ন বহী (VER) উন্নীতকৰণ কৰা
- অনা আৱাসিক সেঁতু বন্ধন কেন্দ্ৰ, মানৱ উন্নয়ন কেন্দ্ৰ (চহৰৰ বস্তি অঞ্চলৰ বাবে) আৰু শিশু শিক্ষা কেন্দ্ৰত স্বেচ্ছাসেৱক নিয়োগ কৰা।

**মণিপুৰ ঃ** EGS/AIEকেন্দ্ৰবোৰত শিক্ষা স্বেচ্ছাসেৱক নিয়োগ কৰা।

**নাগালেণ্ড ঃ** 'No work no pay' নীতিৰে শিক্ষকক দৰমহা প্ৰদান কৰা।

**মিজোৰাম ঃ** চুবুৰী ভিত্তিক আঁচনি তৈয়াৰ কৰা।

- গাঁও শিক্ষা পঞ্জীয়ন বহী (VER) পৰিচালনা কৰা।

**ওড়িয়া ঃ**

- ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতিৰ বাবে অভিভাৱকক জড়িতকৰণ কৰা।
- ছোৱালীৰ নামভৰ্তিৰ বাবে বিশেষ যত্ন লোৱা।
- বিদ্যালয় বহিৰ্ভুত শিশুক চিনাক্তকৰণ কৰি নামভৰ্তিকৰণ কৰা।
- বিদ্যালয়ত শিক্ষকৰ সংখ্যা কম লৈ অস্থায়ীভাৱে শিক্ষক নিযুক্তি দিয়া।



টোকা



**ৰাজস্থান ঃ**

- ৰাইজৰ দ্বাৰা নিয়মীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিৰীক্ষণ কৰা। প্ৰত্যেক গাঁও পঞ্চায়ততে শিক্ষকে প্ৰস্তুত কৰা শিশুৰ অগ্ৰগতিৰ পঞ্জীয়ন বহী নিৰীক্ষণ কৰা।
- জয়পুৰ জিলাৰ ভূটেডা গাঁও পঞ্চায়তত কোনো এটা প্ৰস্ৰাৱগাৰেই বনোৱা হোৱা নাই। কিন্তু ব্লক অফিচৰ ৰেকৰ্ডত ইয়াক দেখুওৱা হৈছে। নিৰীক্ষণ কমিটীয়ে ইছ্যুটো প্ৰকাশ কৰি পাছত শুধৰিণ কৰিছিল।
- ভূটেডাত উচ্চ প্ৰাথমিক বিদ্যালয়ৰ দুজন শিক্ষকক বিদ্যালয়ৰ পৰা আঁতৰাই দিয়া হৈছিল কিয়নো শিক্ষক দুজনৰ অনিয়মীয়া উপস্থিতিৰ বাবে ৰাইজে অভিযোগ দিছিল।

**পশ্চিমবংগ ঃ**

- প্ৰাক প্ৰাথমিক, নিম্ন প্ৰাথমিক আৰু প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষা আঁচনি উন্নীত কৰা।
- 6-14 বছৰৰ ল'ৰা-ছোৱালীৰ তথ্যসমূহ মজুত ৰখা।
- একাউণ্টছৰ হিচাপ-নিকাচ ৰখা (ভাওচাৰ, কেচবুক আদি)

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 4**

টোকা ঃ আপোনাৰ উত্তৰ সাপেক্ষে কিছু ঠাই দিয়া আছে।

1. ভাৰতৰ গোটেই ৰাজ্যবোৰৰ বাবে এখন ক্ৰিয়াকলাপৰ তালিকা প্ৰস্তুত কৰা য'ত ৰাইজক সক্ৰিয়ভাৱে জড়িত কৰা হৈছে।

.......................................................................................................

.......................................................................................................

.......................................................................................................

2. ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবে আপোনাৰ অঞ্চলত ৰাইজ জড়িতকৰণৰ কাৰণসমূহ উলিৱাওক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

3. ৰাইজৰ অংশগ্ৰহণ যে অতি গ্ৰহণযোগ্য সেই বিষয়ে বিভিন্ন কাৰকসমূহ চিহ্নিত কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

## 4.8. সামৰণি ঃ

এই ব্লকটোত শিক্ষাৰ উন্নয়নৰ বাবে ৰাইজৰ অংশগ্ৰহণ কিমান জৰুৰী সেই বিষয়ে শিকিলে। ৰাইজৰ একতা থাকিলে স্থানীয় সমস্যা সমূহ উদ্‌ঘাটন কৰাত ৰাইজৰ সহজ


টোকা

হয়। শৈক্ষিক সমস্যাসমূহত ৰাইজে উপযুক্ত পৰামৰ্শৰে উপযুক্ত কৌশল নিৰ্ণয় কৰি আঁচনি প্ৰস্তুতিত সহায় কৰিব পাৰে। গোটেই অধ্যায়টো পঢ়ি আপুনি লক্ষ্য কৰিছে যে সৰ্বশিক্ষা অভিযানত প্ৰচলনৰ পাছত ভাৰতত শিক্ষাত ৰাইজৰ অংশগ্ৰহণ কিমান পৰিমাণে অগ্ৰগতি হৈছে। SSAই বিদ্যালয় পৰ্যায়ত SMC/PTA গঠন কৰি আৰু বিদ্যালয়ৰ কাম-কাজ নিৰীক্ষণ কৰিবলৈ দিয়ে। গাঁও বা ৱাৰ্ড পৰ্যায়ত গাঁও শিক্ষা সমিতি, ৱাৰ্ড শিক্ষা সমিতিক শিক্ষাৰ আঁচনি আৰু ব্যৱস্থাপনাত জড়িত কৰা হৈছে। এই কমিটীসমূহে অভিভাৱক আৰু অন্য ৰাইজৰ সদস্য সমূহৰ লগত এক সহঃ সম্বন্ধ আছে। শিশুৰ যুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইনেও শিক্ষাত ৰাইজৰ অংশগ্ৰহণ বৃদ্ধি কৰিছে। এই আইনে এইটো স্পষ্ট কৰিছে যে আঁচনি, ব্যৱস্থাপনা, নিৰীক্ষণ আৰু বিদ্যালয়ৰ কাম-কাজত ৰাইজে সক্ৰিয়ভাৱে জড়িত হ'ব পাৰে। শিক্ষাত গুণগত মান বৃদ্ধিৰ বাবে শিক্ষক আৰু প্ৰশাসকে ৰাইজৰ লগত একেলগে কাম কৰাটো অতিকৈ প্ৰয়োজন।

## 4.9. আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক

**আপোনাৰ অগ্ৰগতি - 1**

1. আনুষ্ঠানিক আৰু অনানুষ্ঠানিক
2. অনানুষ্ঠানিক
3. অনানুষ্ঠানিক
4. ক্ৰিয়াকলাপ

**আপোনাৰ অগ্ৰগতি - 2**

1. 2001
2. SSA ৰ লক্ষ্য সাৰ্বজনীন প্ৰাথমিক শিক্ষা, ব্যৱস্থাপনাৰ পৰিৱৰ্তন, ৰাইজৰ অংশগ্ৰহণ, গুণগত শিক্ষা। এই লক্ষ্যত লিংগ আৰু সামাজিক বৈষমত্য হ্ৰাস কৰাটোও অন্যতম।
3. এই কাৰ্যক্ৰমে নতুন বিদ্যালয় খোলা, পূৰ্বৰ বিদ্যালয়ৰ উন্নতি সাধন, অতিৰিক্ত শ্ৰেণীকোঠা বনোৱা, অতিৰিক্ত শিক্ষক নিয়োগ আৰু বিদ্যালয়সমূহলৈ মধ্যাহ্ন ভোজন, পাঠ্যপুথি দিয়া যাতে ল'ৰা-ছোৱালীৰ অংশগ্ৰহণ বৃদ্ধি হয়। গুণগত মান বৃদ্ধিৰ বাবে শিক্ষকক নিযুক্তিকালীন প্ৰশিক্ষণ প্ৰদান কৰা।
4. বিদ্যালয় পৰ্যায়ত SMC/PTA গঠনৰ বাবে আলোচিত বিষয়। লগতে গাঁত বা ৱাৰ্ডৰ বাবে VEC/WEC গঠনো উল্লেখনীয় দিশ।

**আপোনাৰ অগ্ৰগতি - 3**

1. ৰাইজৰ অংশগ্ৰহণৰ তাৎপৰ্যতা (1.3.3)

**আপোনাৰ অগ্ৰগতি - 4**

ৰাইজৰ চিনাক্ত কৰা, নামভৰ্তি নকৰাৰ কাৰণ, আধাতে বিদ্যালয় এৰা আদি



টোকা



দিশবোৰ চোৱাৰ বাবে প্ৰেচাৰ গ্ৰুপ হিচাপে ভূমিকা ল'ব পাৰে। লগতে শিকন সামগ্ৰী, পাঠ্যক্ৰম প্ৰস্তুতি, মানৱ সম্পদ আৰু দ্বিতীয় দিশত চোৱা-চিতা কৰিব পাৰে। (1.3.4)

2. **ৰাইজৰ ক্ৰিয়া কলাপ - (1-4)**

**আপোনাৰ অগ্ৰগতি - 5**

1.

2.

**আপোনাৰ অগ্ৰগতি - 6**

1. গাঁও শিক্ষা সমিতিৰ কাম-কাজ (1.5)

**আপোনাৰ অগ্ৰগতি - 7**

1. বিদ্যালয় পৰিচালনা সমিতিৰ কাম-কাজ (1.6.1)

**আপোনাৰ অগ্ৰগতি - 8**

1. নামভৰ্তিকৰণ, CWSN চিনাক্তকৰণৰ বাবে ৰাইজে মেলা/সভা আদি অনুষ্ঠিত কৰাত ক্ৰিয়াকলাপৰ এক তালিকা বাহিৰ কৰক। অভিভাৱকক অভিৰোচিত কৰি তেওঁলোকৰ ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিওৱাতো। বিদ্যালয়ৰ গৃহ নিৰ্মাণ, প্ৰস্ৰাৱগাৰ, পানীৰ সুবিধা আদি নিৰীক্ষণ কৰাৰ লগতে চুবুৰী ভিত্তিক পৰিকল্পনা, যেনে - বিদ্যালয়লৈ যোৱা শিশুৰ তথ্য, পৰ্যাপ্ত বিদ্যালয়ৰ সংখ্যা, শিক্ষকৰ প্ৰয়োজনীয়তা আদি। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি চোৱাচিতা কৰা, পাঠ্যপুথি, ইউনিফৰ্ম যোগান, মধ্যাহ্ন ভোজন আদি দিশো অন্যতম। একাউণ্টৰ হিচাপ ৰখা, সেঁতু বন্ধন পাঠ্যক্ৰমৰ বাবে স্বেচ্ছাসেৱকক নিযুক্তি দিয়া আদি।

## 4.9. পৰামৰ্শমূলক পঠন আৰু প্ৰাসংগিক পুথি ঃ

Bjork, Christopher ed. (2006) Educational Decentralisation: Asian Experiences and Conceptual Contributions, Springer, Netherland.

Darak G. Kishor, (2008) Community Participation as Resource in Elementary Education, Paper presented at National Seminar on Community and School Linkages: Principles and Practices (March 17-19, 2008), NUEPA, New Delhi.

Dayaram (2011) School Management Committee and the Right to education Act 2009- Resource material for SMC Training, American India Foundation

Gaysu R.Arvind (2008) Locating Community in School Education: Emerging Perspectives and Practices to Empowered Participatory


টোকা

Governance, Paper presented at National Seminar on Community and School Linkages: Principles and Practices (March 17-19, 2008), NUEPA, New Delhi.

Government of India(undated) Sarva Shiksha Abhiyan- Framework for Implementation. Ministry of HRD, Department of Elementary Education and Literacy, New Delhi.

Govinda. R & Diwan Rashmi (2003) Community Participation and Empowerment in Primary Education, Sage Publications, New Delhi.

Grant A. Carl (1979) Community Participation in Education, Allyn and Bacon, USA

Jayaram, N, (2008) School-Community Relations in India: Some Theoretical and Methodological Considerations, Paper presented at National Seminar on Community and School Linkages: Principles and Practices (March 17- 19, 2008), NUEPA, New Delhi.

Kantha V. Vinay & Daisy Narain (2003) Dynamics of Community Mobilisation in Govinda. R & Diwan Rashmi Community Participation and Empowerment in Primary Education, Sage Publications, New Delhi.

Govt. of India (2011) Sarva Shiksha Abhiyan: framework for Implementation based on the RTE 2009), Ministry of Human Resource Development, Department of school education and Literacy

Khanna Kailash (2007) Evolution of Policies in India in Mukhopadhyay Marmar & Madhu Parhar (ed) Education in India, Shipra, New Delhi.

Mitsue Uemura(1999) Community Participation in Education: What do we know? The World Bank.

Meenai Zubair(2008) Participatory Community Work, Concept Publishing Company, New Delhi.

Pailwar, Veena K.& Mahajan Vandana (2005) Janshala in Jharkhand: An Experiment with Community Invovement in Education, International Education Journal, 2005, 6(3), 373-385.j

Pokhriyal H.C(2008) Communitisation of School Education : Reflections from the Field Paper presented at National Seminar on Community and School Linkages: Principles and Practices (March 17-19, 2008), NUEPA, New Delhi

Priyanka Pandey, Sangeeta Goyal, Venkatesh Sundararaman (2008) Community Participation in Public Schools:The Impact of Information Campaigns in Three Indian State, Policy Research Working Paper 4776, The World Bank, South Asia Region, Human Development Department

Ramachandran Vimala (2003) Community Participation and Empowerment in Primary Education: Discussion of Experiences



টোকা

from Rajasthan in Govinda. R & Diwan Rashmi Community Participation and Empowerment in Primary Education, Sage Publications New Delhi.

Tharakan P.K. Michael(undated) Community Participation in School Education: Experiments and Experiences under People's Planning campaign in Kerala http://decwatch.org/files/icdd/021.pdf

Vasavi A.R(2008) Concepts and Realities of Community in Elementary Education, Paper presented at National Seminar on Community and School

Linkages: Principles and Practices (March 17-19, 2008), NUEPA, New Delhi.

## 4.10 গোটৰ অন্তত অনুশীলন

1. শিক্ষাত ৰাইজৰ অংশগ্ৰহণৰ বিভিন্ন পদ্ধতি আলোচনা কৰক।
2. RTE আইন - 2009 ৰ মূল উদ্দেশ্যসমূহ ব্যক্ত কৰক।
3. গাঁও শিক্ষা সমিতি (VEC)ৰ মুখ্য কামসমূহ লিখা।
4. বিদ্যালয় পৰিচালনা সমিতি (SMC) গঠনৰ প্ৰ-পত্ৰ আলোচনা কৰক।

****